বনী ইছৰাঈলৰ নবীসকলে সিহঁতক শাসন কৰিছিল। যেতিয়াই কোনো নবীৰ মৃত্যু হৈছিল, তেতিয়াই বেলেগ কোনো নবী তেওঁৰ স্থলাভিষিক্ত হৈছিল। কিন্তু শুনা! মোৰ পিছত কোনো নবী নাই, কিন্তু অনেক খলীফা হ'ব।

আবু হাঝিমৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মই পাঁচ বছৰ পৰ্যন্ত আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ সাহচৰ্য্যত আছিলোঁ। সেই সময়ছোৱাত মই শুনিছোঁ, তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা এই হাদীছটো বৰ্ণনা কৰিছিল যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "বনী ইছৰাঈলৰ নবীসকলে সিহঁতক শাসন কৰিছিল। যেতিয়াই কোনো নবীৰ মৃত্যু হৈছিল, তেতিয়াই বেলেগ কোনো নবী তেওঁৰ স্থলাভিষিক্ত হৈছিল। কিন্তু শুনা!
মোৰ পিছত কোনো নবী নাই, কিন্তু অনেক খলীফা হ'ব।" চাহাবাসকলে সুধিলেঃ এই ক্ষেত্ৰত আপোনাৰ দিশ-নিৰ্দেশনা কি? তেখেতে ক'লেঃ "তোমালোকে ইজনৰ পিছত সিজনৰ বাইআত কৰি তেওঁলোকৰ হক আদায় কৰিবা। নিশ্চয় আল্লাহে তেওঁলোকক জবাবদিহি কৰিব সেই সকলো বিষয় সম্পৰ্কে যিবোৰৰ দায়িত্ব তেওঁলোকক অৰ্পণ কৰা হৈছিল।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, বনী ইছৰাঈলক সিহঁতৰ নবীসকলে শাসন কৰিছিল। তেওঁলোকেই সেই যাৱতীয় দায়িত্ব পালন কৰিছিল, যিবোৰ দায়িত্ব ৰজা বাদশ্বাহসকলে পালন কৰে। যেতিয়াই সিহঁতৰ মাজত বিপৰ্যয় ঘটিছিল তেতিয়াই আল্লাহে সিহঁতৰ মাজত নবী প্ৰেৰণ কৰিছিল। যাতে সিহঁতৰ মাজত সুচাৰুৰূপে শাসন ব্যৱস্থা বাস্তৱায়ন কৰিব পাৰে আৰু সিহঁতে যিবোৰ বিধান বিকৃত কৰিছে সেইবোৰ দূৰ কৰিব পাৰে। কিয়নো মোৰ পিছত কোনো নবী নাহিব। সেয়ে সিহঁতৰ দৰে পৰিৱেশ বিনষ্ট হোৱাৰ পিছত সেইটোক সংশোধন কৰিবলৈ কোনো নবী নাহিব। কিন্তু মোৰ পিছত বহুতো খলীফা হ'ব, আৰু তেওঁলোকৰ মাজত মতানৈক্য আৰু মতভেদ দেখা দিব। এই কথা শুনি চাহাবাসকলে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক সুধিলে, এই ক্ষেত্ৰত আমাৰ বাবে আপোনাৰ নিৰ্দেশনা কি? তেতিয়া তেখেতে ক'লেঃ যদি এজন খলীফাৰ পিছত আন এজন খলীফাৰ বাইআত কৰা হয়। তেন্তে প্ৰথম খলীফাৰ বাইআত সঠিক বুলি গণ্য হ'ব, আৰু সেইটো পালন কৰা অনিবাৰ্য্য। পক্ষান্তৰে দ্বিতীয়জনৰ বাইআত বাতিল বুলি গণ্য হ'ব, আৰু এনেক্ষেত্ৰত বাইআত গ্ৰহণ কৰাও হাৰাম। তোমালোকে মোৰ পিছত অহা খলীফাসকলৰ হক আদায় কৰিবা, তেওঁলোকৰ অনুসৰণ কৰিবা, গুনাহ নোহোৱা তেওঁলোকৰ সকলো দিশ নিৰ্দেশনা মানিবা। কাৰণ আল্লাহে তেওঁলোকক জবাবদিহি কৰিব আৰু সোধ-পোচ কৰিব যে, তেওঁলোকে তোমালোকৰ সৈতে কেনেকুৱা আচৰণ কৰিছিল।

http://www.sunnah.global/hadeeth/as/show/4936